# Course 507

# বিদ্যালয় আৰু সমাজৰ সমল পৰিচালনা

ব্লক - 4

গোট - 11

টোকা

## গোট - 11 ঃ বিদ্যালয় আৰু সমাজৰ সমল পৰিচালনা

## গাঁথনি


11.0 পাতনি

11.1 শিকন উদ্দেশ্য

11.2 মানৱ সম্পদ

11.3 সামগ্ৰী সম্পদ

11.4. বিত্তীয় সম্পদ

11.5. বিদ্যালয়ৰ নিধিৰ বাবে বিত্তীয় আয়ৰ উৎস

11.5.1 চৰকাৰ

11.5.2 আন কৰ্তৃত্বসমূহ

11.5.3 স্থানীয় গোট

11.5.4 দান বৰঙণি (Endowment)

11.5.5 সঞ্চয়

11.5.6 পৰীক্ষা আৰু আন ধৰণৰ মাচুল

11.6 সামৰণি

11.7 প্ৰসংগ পুথি

11.8 গোটৰ শেষৰ অনুশীলন


## 11.0 পাতনি ঃ

ইতিমধ্যে আমি 10 নম্বৰ গোটত পৰিচালনাৰ উপাদান আৰু ইয়াৰ নীতি-নিয়ম (পৰিকল্পনা, আয় ব্যয়ৰ হিচাব, সংগঠনিক ক্ৰিয়া, সমন্বয়, শাসন, নিৰ্দেশনা, সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়া) বিষয়ে শিকি আহিছো। শিক্ষণ আৰু বিদ্যালয়ৰ পৰিচালনা আৰু আন ক্ৰিয়াকলাপৰ আঁচনি আশানুৰূপ ফল পাবলৈ উপযুক্ত পৰিচালনাৰ লগতে বিত্তীয় পৰিকল্পনা, উপযুক্তভাৱে বিত্তৰ ব্যৱহাৰ অতি প্ৰয়োজনীয়। ইয়াৰ বাবে দুটা আৱশ্যকীয় দিশ হ'ল (1) সম্পদপূৰ্ণ মন আৰু (2) সময় মতে উপযুক্ত বিত্তৰ যোগান।

প্ৰশিক্ষণ আদিৰ জৰিয়তে সম্পদপূৰ্ণ মন এটা তৈয়াৰ কৰিব পাৰি। সময়মতে ধন যোগানৰ বাবে উপযুক্ত বিত্তীয় সমল থকা উচিত। এই গোটটোত বিদ্যালয়ৰ আঁচনিসমূহ


টোকা

চলাই নিবলৈ বিদ্যালয়ৰ আৰু সমাজৰ সমল পৰিচালনাৰ ধৰণ আৰু আয়ৰ উৎসৰ বিষয়ে আলোচনা কৰা হ'ব।

## 11.1 শিকনৰ উদ্দেশ্য ঃ

এই গোট আলোচনাৰ অন্তত আপুনি জানিবলৈ সক্ষম হ'ব ঃ

- বিদ্যালয়ত বিত্তীয় পৰিচালনাৰ বাবে সমলবোৰ (যেনে মানৱ, সামগ্ৰী আৰু বিত্তীয়) মাজত পাৰ্থক্য উলিয়াবলৈ।
- বিদ্যালয়ৰ আয়ৰ বিত্তীয় সমলসমূহৰ শ্ৰেণী বিভাজন

  (ক) চৰকাৰ

  (খ) আন কৰ্তৃত্বসমূহ

  (গ) স্থানীয় গোটসমূহ

  (ঘ) সমাজৰ পৰা স্বেচ্ছাই পোৱা বৰঙণি

  (ঙ) সঞ্চয়

  (চ) পৰীক্ষাৰ মাচুল

  (ছ) আন ধৰণৰ মাচুল
- বিভিন্ন ধৰণৰ পৰিচালনাৰ যেনে চৰকাৰী, চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু চৰকাৰী সাহায্য পোৱা বিদ্যালয়ৰ আয়ৰ উৎস সমূহৰ তুলনামূলক বিশ্লেষণ কৰিবলৈ।
- বিদ্যালয়ৰ উন্নতিৰ কাৰণে সমল সঞ্চালন আৰু সমাজৰ সমল পৰিচালনাৰ ভূমিকা সম্পৰ্কে ব্যাখ্যা কৰিবলৈ।

## 11.2 মানৱ সম্পদ ঃ

এখন গাঁৱৰ কৃষকসকলৰশস্য উৎপাদন কৰা প্ৰক্ৰিয়াৰ বিষয়ে অলপ চিন্তা কৰক। তেওঁলোকেই আচল মানৱ সম্পদ, কাৰণ তেওঁলোকে মাটি চহাই উৎপাদনমূলক প্ৰক্ৰিয়াৰ মাজেদি যেনে (1) খেতি পথাৰৰ হাল বায় প্ৰস্তুত কৰে, (2) অপতৃণ উভালা (3) বীজ সিঁচা (4) পানী যোগান (5) সাৰ যোগান (6) শস্যক ৰোগৰ পৰা মুক্ত কৰিবলৈ (কীটনাশক প্ৰদান) (7) শস্য চপোৱা আৰু (8) উৎপাদিত ফচলৰ বাবে ভঁৰালৰ ব্যৱস্থা আদি। এই উৎপাদনমূলক প্ৰক্ৰিয়াৰ বাবে মানুহৰ প্ৰচেষ্টা, শস্য উৎপাদনৰ জ্ঞান, পৰিয়াল শ্ৰম বা ভাৰাতীয়াৰ শ্ৰম, বীজৰ ব্যৱস্থা, সাৰ আৰু কীটনাশক, পানীযোগান ব্যৱস্থা, শস্য উৎপাদনৰ বাবে কৃষি সা-সঁজুলি আদিৰ প্ৰয়োজন। তেওঁলোকে শস্য উৎপাদনৰ ক্ষেত্ৰত অনিশ্চয়তাত ভোগে যদি ফচল উৎপাদন আশানুৰূপ নহয়।

শস্য উৎপাদনৰ জ্ঞান আৰু কৌশলসমূহক মানৱ সম্পদ হিচাপে বিবেচনা কৰা হয়। যিকোনো ভুল, পলম বা আকস্মিক সিদ্ধান্তৰ বাবে কৃষকৰ বিত্তীয় লোকচান হ'ব



টোকা

পাৰে যিহেতু শস্য উৎপাদনত প্ৰকৃতিয়ে এক দৰকাৰী ভূমিকা পালন কৰে যিটো মানুহৰ নিয়ন্ত্ৰণ বাহিৰত। দেশ বা সমাজ বা ৰাইজৰ সম্পদ আৰু আয় সৃষ্টি কৰাৰ ক্ষেত্ৰত মানৱ সম্পদ অতি প্ৰয়োজনীয়। ইয়াক কিছু পৰিমাণে বিদ্যালয়ৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি। ইয়াত শিক্ষক আৰু বিদ্যালয় ব্যৱস্থাপনাই মানৱ প্ৰচেষ্টা চলাই অনভিজ্ঞ ছাত্ৰক শিক্ষিত আৰু প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিলৈ ৰূপান্তৰ কৰে। তেওঁলোকে জীৱিকা অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ লগতে পৰিয়ালৰ জীৱনৰ মান উন্নত কৰে আৰু দেশত আয়ৰ ক্ষেত্ৰত বৰঙণি যোগায়। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক পঢ়োৱাৰ বাবদ মাননি দিয়া হয় আৰু সেয়েহে ইয়াৰ ক্ষতিৰ সম্ভাৱনা বেছি নহয়। শিক্ষকক যিহেতু মাননি দিয়া হয় ইয়াক কৃষকৰ লগত তুলনা কৰিব পৰা নাযায়। শস্য উৎপাদন নহ'লে কৃষকৰ বিনিয়োগত ক্ষতি কিন্তু শিক্ষকৰ ক্ষেত্ৰত সেইটো নঘটে। মানৱ সম্পদৰ জৰিয়তে আয় কৰাত ধাৰণা বুজিবলৈ আন বৃত্তিৰ দ্বাৰা এনেকুৱা উদাহৰণ দিয়াৰ চিন্তা কৰিব পাৰে নেকি? তলত আপোনাৰ কাৰণে এটা পূৰ কৰা হ'ল।

1. দোকানী (মিঠা শুকান ফলৰ দোকানী)
2. ..........................................................................................
3. ..........................................................................................
4. ..........................................................................................
5. ..........................................................................................

## 11.3 সঁজুলি সম্পদ ঃ

মাটি, বীজ, পানী, কৃষিৰ সা-সঁজুলি, গৰু বা ট্ৰেক্টৰ, সাৰ বা সাৰ প্ৰয়োগ, কীটনাশক আদি নোহোৱাকৈ কৃষকে খেতি কৰিব নোৱাৰে। এই উদাহৰণবোৰ কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে সা-সঁজুলিমূলক সম্পদ। অৰ্থনীতিবিদসকলৰ মতে এই সঁজুলি সম্পদবোৰ শস্য উৎপাদনৰ বাবে নিৰেশ বা প্ৰাথমিক তথ্য। আন সেৱা আৰু দ্ৰব্যৰ ক্ষেত্ৰতো ইয়াৰ প্ৰয়োগ হয়। উল্লেখ কৰিব পাৰি যে দ্ৰব্য আৰু সেৱাৰ সৃষ্টিৰ বাবে মানৱ সম্পদ এক সক্ৰিয় উৎস। দ্ৰব্য আৰু সেৱাৰ উৎপাদনৰ বাবে সঁজুলি সম্পদৰ আন কিছুমান উদাহৰণ দিব পাৰিবনে?

তলত কেইটামান দ্ৰব্য আৰু সেৱাৰ উদাহৰণ দিয়া হ'ল যিবোৰৰ নিবেশ (input) সঁজুলি সম্পদ হিচাপে ব্যাখ্যা কৰিব পাৰিব ঃ

| **দ্ৰব্য আৰু সেৱাৰ উদাহৰণ** | **প্ৰয়োজনীয় নিবেশ (input)** |
|---|---|
| 1. বিজুলী | |
| 2. নাপিতৰ চুলিকটা | |
| 3. শিক্ষকৰ সেৱা | |
| 4. কিতাপ প্ৰকাশ কৰা | |
| 5. সাৰ কাৰখানা | |



টোকা

## 11.4 বিত্তীয় সম্পদ ঃ

এইদৰে উৎপাদিত হোৱা দ্ৰব্য আৰু সেৱা ৰূপান্তৰিত হোৱা 'টকাৰ আকৃতি'ক বিত্তীয় সম্পদ বুলি বৰ্ণনা কৰা হয়। এটা অৰ্থনীতি ব্যৱস্থাত উৎপাদিত হোৱা দ্ৰব্য আৰু সেৱাবোৰ ব্যক্তিগত ব্যৱহাৰ বা বজাৰত বিক্ৰীৰ বাবে। ৰাহি হোৱা দ্ৰব্য আৰু সেৱা বজাৰত বিক্ৰীৰ বাবে মুকলি কৰি দিয়া হয় আৰু দ্ৰব্য আৰু সেৱা বিক্ৰীৰ বিনিময়ত এজনে টকা পায়। এই বিক্ৰী হোৱা দ্ৰব্য আৰু সেৱা টকাৰ আকৃতিলৈ ৰূপান্তৰ হয় আৰু তাকে বিত্তীয় সম্পদ বুলি বিবেচনা কৰা হয়। যেতিয়া ৰাহি হোৱা দ্ৰব্য আৰু সেৱা বেছি হয় আৰু তাৰ বাবে উপাৰ্জন বৃদ্ধি হয় সেইকাৰণে দেশত বিক্ৰীৰ বাবে দ্ৰব্য আৰু সেৱাৰ উৎপাদন শক্তিশালী হ'লে দেশে বেছি সম্পদ আহৰণ কৰিব পাৰে আৰু বিত্তীয় ব্যৱস্থা টনকীয়াল হয় আৰু বিকাশৰ বাবে অধিক অৰ্থ যোগান ধৰিব পাৰে। যিবোৰ দেশ বেছি বিত্তবান হয় সেইবোৰ দেশকে বেছি উন্নত বুলি বিবেচনা কৰা হয়। যিবোৰ দেশৰ ধনাঢ্য সম্পদ কম সেই দেশবোৰক কম উন্নত বুলি বিবেচনা কৰা হয়। শিক্ষাৰ ক্ষেত্ৰত অধিক শিক্ষানুষ্ঠান, এই শিক্ষা অনুষ্ঠানৰ শাৰীৰিক সুবিধাবোৰ, অধিক শিক্ষক আদিক বিকাশ হোৱা বুলি বিবেচনা কৰা হয়।

অধিক বিকাশশীল দেশ আৰু কম বিকাশশীল দেশৰ মাজত পাৰ্থক্য আপুনি নিশ্চয় বুজি পাইছে। আপুনি বিবেচনা কৰা বিকাশশীল দেশ আৰু কম বিকাশশীল দেশৰ নাম ক'ব পাৰিবনে? এই দুটাৰ মাজত আন এটা গোষ্ঠী উপস্থাপন কৰিব পাৰে যেনে উন্নয়নশীল দেশ। ইয়াত আলোচনাৰ বিষয় হ'ল কিয় কিছুমান দেশ (ক) অধিক বিকাশশীল (খ) উন্নয়নশীল (গ) কম বিকাশশীল। ইয়াত তিনিওটা গোষ্ঠীৰ দেশৰ উদাহৰণ দাঙি ধৰা হ'ল। তালিকাত আপুনি আন কিছুমান দেশ যোগ দিব পাৰে। ইউ এন অৰ অধীনত ইউনাইটেড নেচনচ ডেভেলেপমেণ্ট প্ৰগ্ৰামে মানুহৰ জনমূৰি আয়, স্বাক্ষৰতাৰ হাৰ আৰু লিংগৰ সমতাক সূচক হিচাবে লৈ দেশবোৰৰ মান বিভাজন কৰিছে। ইউ এন ডি পি য়ে শেহতীয়াকৈ দিয়া মানৱ বিকাশৰ ৰিপ'ৰ্টৰ তালিকা তলত দিয়া হ'ল। তালিকাত দেশৰ শ্ৰেণী বিভাজন বন্ধনীৰ ভিতৰত দেখুওৱা হৈছে।

| বিকাশশীল দেশ | উন্নয়নশীল দেশ | কমবিকাশশীল দেশ |
|---|---|---|
| 1 | 2 | 3 |
| কানাডা (6) | ব্ৰাজিল (84) | চুডান (169) |
| ফ্ৰান্স (20) | ভাৰত (134) | লিবিৰিয়া (182) |
| | | |
| | | |

উৎস ঃ মানৱ বিকাশ ৰিপ'ৰ্ট, ইউনাইটেড নেচনচ ডেভেলেপমেণ্ট প্ৰগ্ৰাম - 2011

টোকা ঃ উচ্চ মানৰ দেশৰ পৰা নিম্নগামী হিচাপে দেশবোৰৰ মান দেখুৱা হৈছে।

টোকা



উদাহৰণ স্বৰূপে ঃ মানৱ বিকাশ সূচনাত কানাডাৰ মান 6 আৰু ফ্ৰান্সৰ মান 20 আৰু সেইদৰে লিবেৰিয়াৰ মান 182। ইয়াৰ অৰ্থ কানাডা আৰু ফ্ৰান্সৰ জনমূৰি আয় স্বাক্ষৰতাৰ হাৰ আৰু লিংগৰ সমতা সূচল লিবেৰিয়াতকৈ বেছি। কানাডা মান ফ্ৰান্সতকৈও বেছি ভাল।

**ক্ৰিয়াকলাপ**

1. 'মানৱ বিকাশ সূচক' তালিকাৰ তলৰ ফালে থকা দেশবোৰৰ খবৰ সংগ্ৰহ কৰক। এই ৰিপ'ৰ্টটো ইউ এন ডি পিৰ হোম পেজৰ ৱেবচাইটত পোৱা যাব। এইটো গোটটোৰ শেহত দিয়া হৈছে।

(1) জাৰ্মান (2) ৰাছিয়া (3) আৰ্জেণ্টিনা (4) চীন (5) দক্ষিণ আফ্ৰিকা

2. ওপৰৰ দেশ কেইখন তলৰ কোনটো স্তৰত পৰিব ঃ

(ক) বিকাশশীল (খ) উন্নয়নশীল (গ) কম বিকাশশীল?

## 11.5 বিদ্যালয়ৰ নিধিৰ বিত্তীয় উৎসমূহ

### 11.5.1. চৰকাৰ

এখন দেশত আয়ৰ বিত্তীয় উৎস সাধাৰণতে সেই দেশৰ চৰকাৰ। চৰকাৰ সাধাৰণতে তলত দিয়া ধৰণে বিবেচনা কৰা হয়।

(1) কেন্দ্ৰীয় চৰকাৰ

(2) ৰাজ্য চৰকাৰ

(3) স্থানীয় চৰকাৰ (স্থানীয় সমিতিসমূহ)

ভাৰতবৰ্ষত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা যাৰ অৰ্থ সংবিধান মতে ইয়াত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ আছে। সংবিধানৰ দফাৰ নিয়ম অনুসৰি কেন্দ্ৰীয় চৰকাৰে কিছুমান কৰৰ পৰা, কেন্দ্ৰীয় চৰকাৰ আন্দাৰ টেকিং সমূহৰ অতিৰিক্ত লাভৰ পৰা আৰু বাহ্যিক সাহায্য আদিৰ পৰা আয় লাভ কৰে। সেইদৰে ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চৰকাৰে সংবিধানৰ দফাৰ অনুসৰি আয় লাভ কৰে। আমি যদি কেন্দ্ৰীয়, ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ আয়সমূহ যোগ কৰো সেইটোৱে আমি চৰকাৰ আয় বুলি ক'ব পাৰো। স্থানীয় সমিতিসমূহ চৰকাৰৰে এটা অংশ। ইয়াক গোটৰ শেহৰ ফালে বেলেগে আলোচনা কৰা হৈছে।

এইটো উল্লেখ কৰিব পাৰি যে সংবিধানৰ নিয়ম অনুসৰি 'শিক্ষা' বিষয়টো কণ্-কাৰেণ্ট' তালিকাভুক্ত। ইয়াৰ অৰ্থ হ'ল কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আইন প্ৰণয়ন কৰে আৰু শিক্ষানুষ্ঠান আৰু শিক্ষাৰ সেৱাসমূহ নিয়ন্ত্ৰণ কৰে। এই অনুষ্ঠানসমূহ পৰিচালনাৰ



টোকা

বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে পুঁজি যোগান ধৰে। চৰকাৰী অনুষ্ঠানবোৰত চৰকাৰে পুঁজি যোগান ধৰে আৰু চৰকাৰে নিয়ন্ত্ৰণ কৰে। চৰকাৰী সাহায্যপ্ৰাপ্ত অঞ্চলবোৰ চৰকাৰে গ্ৰেন-ইন-এইড নীতি অনুসৰি পুঁজি যোগান ধৰে। চৰকাৰী অনুষ্ঠানবোৰত চৰকাৰে পুঁজি যোগান ধৰে আৰু চৰকাৰে নিয়ন্ত্ৰণ কৰে। চৰকাৰী সাহায্যপ্ৰাপ্ত অনুষ্ঠানবোৰ চৰকাৰে গ্ৰেন-ইন এইডৰ নীতি অনুসৰি পুঁজি যোগান ধৰে। আজি কালি বহু স্কুল আৰু কলেজ স্ব-নিয়ন্ত্ৰিত অনুষ্ঠান হিচাপে গঢ় লৈ উঠিছে। এই অনুষ্ঠানবোৰক সাহায্য নোপোৱা প্ৰাইভেট অনুষ্ঠান হিচাপে জনা যায়। এই অনুষ্ঠানবোৰ বেচৰকাৰী অনুষ্ঠান/সমিতি/ সংগঠন/ট্ৰাষ্ট/ব্যৱসায়ী অনুষ্ঠানবোৰে প্ৰতিষ্ঠা কৰে। চৰকাৰে এই ধৰণৰ অনুষ্ঠান স্থাপনত উৎসাহ যোগায়। **এই অনুষ্ঠানবোৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত চৰকাৰে উৎসাহ যোগায় বুলি আপুনি কিয় ভাবে।**

## 11.5.2. আন কৰ্তৃত্বসমূহ ঃ

ভাৰতবৰ্ষত শিক্ষাৰ প্ৰসাৰ হৈ আছে। চৰকাৰে (কেন্দ্ৰীয় আৰু ৰাজ্য) নগৰ আৰু চহৰসমূহত অকলে প্ৰয়োজন অনুসৰি শিক্ষাৰ সা-সুবিধাসমূহৰ যোগান ধৰিব নোৱাৰে। ভাৰতবৰ্ষ এখন বিশাল দেশ। দেশৰ চুকে কোণে প্ৰাথমিক শিক্ষাৰ বাবে বিদ্যালয় খোলাৰ কথা ভাৱক। শিক্ষাৰ অধিকাৰ আইন (2009) খন 2010 চনৰ এপ্ৰিল প্ৰথম দিনৰ পৰা কাৰ্যকৰী হৈছে। 6-14 বছৰৰ সকলো ল'ৰা-ছোৱালীৰ বাবে সাৰ্বজনীনভাৱে বিদ্যালয়ৰ সুবিধা দিয়াটো বাধ্যতামূলক কৰা হৈছে। প্ৰথম পৰা অষ্টম শ্ৰেণীলৈ বিদ্যালয়ৰ ঘৰ নিৰ্মাণ কৰিবলৈ মাটি, শিক্ষক আৰু আন আন সুবিধা যোগান ধৰিব লাগিব। এই পৰিস্থিতিৰ চৰকাৰে আন আন সংগঠন/প্ৰতিষ্ঠানসমূহৰ পৰা বিত্তৰ যোগান ধৰাতো বিচাৰে। সাম্প্ৰতিক কালত বেচৰকাৰী অনুষ্ঠান/প্ৰতিষ্ঠান/সমিতি/সংগঠন/ট্ৰাষ্ট/ব্যৱসায়ী অনুষ্ঠানৰ উপৰিও বিশ্ব বেংক আদিয়ে প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় স্থাপনত সহায় কৰি আহিছে। বিদ্যালয়ৰ ঘৰ-দুৱাৰ, আন সা-সুবিধা, শিক্ষকৰ দৰমহা, কিতাপ পত্ৰ আদিৰ খৰচৰ বাবে এই ধৰণৰ আন আন প্ৰতিষ্ঠানসমূহৰ পৰা বিত্তীয় সাহায্য লাভ কৰে।

**ক্ৰিয়াকলাপ ঃ 2**

1. আপুনি এজন বিদ্যালয়ৰ শিক্ষক। আপোনাৰ বিদ্যালয়খন কেনে ধৰণে পৰিচালিত?

(ক) চৰকাৰৰ দ্বাৰা পৰিচালিত

(খ) চৰকাৰী সাহায্যপ্ৰাপ্ত,

(গ) ব্যক্তিগত খণ্ডৰ- সাহায্য নোপোৱা।

2. আপোনাৰ বিদ্যালয় আয়ৰ উৎসসমূহ উলিওৱাক? বাজেটত দিয়া নিৰ্দিষ্ট ঠাইত শ্ৰেণীভুক্ত কৰি ভগাই দিয়ক।

টোকা



## 11.5.3. স্থানীয় সংগঠনসমূহ

স্থানীয় সমিতিসমূহ গঠিত হয় ঃ (ক) নগৰ অঞ্চলত মিউনিচিপাল ব'ৰ্ড/কমিটী (খ) গ্ৰাম্য অঞ্চলত জিলা বোৰ্ড/পৰিষদ আৰু (গ) গাঁও পঞ্চায়তৰ জৰিয়তে।

গণতান্ত্ৰিক ভাৰতত তিনি তৰপীয়া চৰকাৰী ব্যৱস্থা আছে। কেন্দ্ৰত চৰকাৰ, ৰাজ্যত ৰাজ্য চৰকাৰ আৰু জিলা পৰ্যায়ত চহৰ অঞ্চলত মিউনিচিপাল ব'ৰ্ড/ কমিটী আৰু গ্ৰামাঞ্চলত জিলা পৰিষদ/ ব'ৰ্ডৰ ব্যৱস্থা আছে। গ্ৰামাঞ্চলত ব্লক/ তালুকজাও আছে। গাঁৱৰ বাবে গাঁও পঞ্চায়ত ব্যৱস্থাত আছে। ব্লক/পঞ্চায়তসমূহ জিলা কালেক্টৰৰ দ্বাৰা পৰিচালিত। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত জিলাৰ তলৰ পৰ্যায়ত ব্লক বা পঞ্চায়তৰ বেলেগ বেলেগ নামকৰণ থাকিব পাৰে। সু-পৰিচালনাৰ বাবে জিলাবোৰ আৰু ভাগ কৰা হৈছে।

মিউনিচিপাল ব'ৰ্ড/ জিলা পৰিষদবোৰ স্থানীয় সংগঠন। এই স্থানীয় সংগঠনসমূহৰ কামৰ বিশেষ দায়িত্ব আছে। উদাহৰণ স্বৰূপে এই সংগঠনসমূহে পানী, বিজুলীবাতি, পথ, শিক্ষা, স্বাস্থ্য আদিৰ সুবিধা আগবঢ়ায়। গাঁৱৰ উন্নয়নৰ বাবে উন্নয়নৰ পুঁজিসমূহ জিলা প্ৰশাসনলৈ পঠিয়ায় আৰু তেওঁলোকে ব্লক ডেভেলেপমেণ্ট অফিচলৈ পঠিয়াব লাগে আৰু ব্লক অফিচে ব্লক সমিতিবোৰলৈ পঠিয়ায়। শেহত গাঁও পঞ্চায়তে উন্নয়নৰ পুঁজি ব্লক সমিতি বা ব্লক ডেভেলেপমেণ্ট অফিচৰ পৰা পায়। এই ধৰণে উন্নয়নৰ পুঁজিৰ বিতৰণ ব্যৱস্থাতো বিকেন্দ্ৰীকৰণ কৰা হৈছে। গাঁৱৰ কমিটীসমূহে গাঁও পঞ্চায়তৰ অধীনত এই পুঁজিসমূহ পায়।

তলত দিয়া কথাখিনি বিবেচনা কৰি আপোনাৰ অঞ্চলত স্থানীয় সংগঠনে পৰিচালনা কৰা এখন বিদ্যালয়ৰ ঘটনা বিৱৰণ প্ৰস্তুত কৰক ঃ

| ক্ৰমিক নং | বিদ্যালয়ৰ খৰচৰ দফাসমূহ | আয়ৰ উৎস |
|---|---|---|
| 1 | | |
| 2 | | |
| 3 | | |
| 4 | | |
| 5 | | |
| 6 | | |
| মুঠ | | |

সমাজৰ পৰা স্বেচ্ছামুলক বৰঙণি

ভাৰতীয় সমাজত এটা পৰম্পৰা হ'ল ভাল সামাজিক কামৰ বাবে সমাজে স্বেচ্ছাই বৰঙণি আগবঢ়ায়।

ধৰমচালা, পঞ্চায়ত ঘৰ, ধৰ্মীয় স্থান (মন্দিৰ, মছজিদ, গুৰুদ্বাৰ, চাৰ্চ) বিদ্যালয়,



টোকা

হাস্পতাল আদিয়ে স্বেচ্ছামূলক বৰঙণি তলত দেখুওৱা ধৰণে লাভ কৰে।

(ক) ঘৰ নিৰ্মাণৰ বাবে শ্ৰম দান।

(খ) ঘৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় সা-সঁজুলি

(গ) বিত্তীয় সাহায্য আৰু

(ঘ) ভূমি দান।

আপুনি স্থানীয় ভাবে এনেধৰণে স্বেচ্ছামূলক বৰঙণি পাব পাৰে। এইটো ভাল আৰু মহানুভৱতাৰ অনুশীলন আৰু সমাজৰ ভাল কামবোৰত নিজকে নিয়োজিত আৰু আপোন কৰি লোৱাতো বুজায়। স্বেচ্ছামূলক বৰঙণি দেখাত কম হ'ব পাৰে যিহেতু সমাজৰ বহু মানুহে বৰঙণি যোগায় কিন্তু ইয়ে এক তাৎপৰ্য বহন কৰে।

## 11.5.4. দান বৰঙণি ঃ

এজন ব্যক্তি বা পৰিয়াল বা ট্ৰষ্ট/ছ'চাইটীয়ে কোনো বিশেষ বা সাধাৰণ উদ্দেশ্যৰে আগবঢ়োৱা দান হ'ল এটা কৰপাচ পুঁজি। এনেধৰণৰ দানৰ মূল উদ্দেশ্য হ'ল কোনো এটা অনুষ্ঠানৰ এটা ভাল কামৰ বাবে দিয়া বদান্যতা। ভাৰতবৰ্ষৰ প্ৰসংগত শৈক্ষিক অনুষ্ঠান বিদ্যালয়, কলেজসমূহে দান বৰঙণি পাই আহিছে। দান বৰঙণি সৃষ্টিৰ ক্ষেত্ৰত ই এটা ভাল অভ্যাস। এনেধৰণে পোৱা পুঁজিৰ পৰা পোৱা সুতৰ জৰিয়তে অনুষ্ঠানখনে কোনো এটা বিশেষ উদ্দেশ্যেৰে কাম কৰিব পাৰে। উদাহৰণ স্বৰূপে বুৎপত্তি থকা শিক্ষাৰ্থীক দিয়া ছাত্ৰ বৃত্তি বা বিদ্যালয় ভৱনৰ মেৰামতিৰ খৰচ। এতিয়া কিন্তু এইধৰণ দান দক্ষিণা কৰাতো কমি আহিছে। পৰিয়ালসমূহে এতিয়া নিজা ববীয়াকৈ অনুষ্ঠান স্থাপন কৰিবলৈ লৈছে।

## 11.5.5. সঞ্চয় ঃ

কোনো এটা বিশেষ বিষয়ত খৰচ হৈ ৰাহি হোৱা ধনেই হ'ল সঞ্চয়। বিদ্যালয় পদ্ধতিত, মাজে সময়ে কোনো এটা কামৰ বাবে ব্লকৰ পৰা অনুদান পায়। কিন্তু এই ধন আৰু খৰচ হয় কেতিয়াবা কিছু কমকৈ আৰু যেতিয়া এই আঁচনি সম্পাদন কৰা হয়। ব্লকৰ পৰা যোৱা অনুদানৰ ধন ডাকঘৰ বা বেঞ্চত জমা থয় আৰু সেই ধনৰ পৰা সুত আহৰণ কৰে। এই ৰাহি হোৱা ধন অনুষ্ঠানসমূহে আন কামত খৰচ কৰে। এই ধৰণে বৈধ উৎসৰ পৰা সঞ্চয় হোৱা ধন আয়তকৈ বেছি খৰচ হোৱা বিষয়ত এই টকাৰে ঘাটি হোৱা খৰচ মিলাব পাৰিব।

আজিকালি বিদ্যালয়সমূহে ব্লকৰ পৰা ঘৰ নিৰ্মাণ বা তেনেধৰণৰ কামৰ বাবে অনুদান লাভ কৰে, কিন্তু নিৰ্মাণৰ কাম সম্পূৰ্ণ হওঁতে সময় লয়। সেয়েহে ইয়াত সঞ্চয়ৰ সম্ভাবনা আছে। চৰকাৰী সাহায্য প্ৰাপ্ত বা নিজা খৰচ চলোৱা প্ৰাইভেট বিদ্যালয়ৰ



টোকা

ক্ষেত্ৰতো একে ব্যৱস্থাই চলে। কিন্তু চৰকাৰী সাহায্যপ্ৰাপ্ত বা প্ৰাইভেট বিদ্যালয়বোৰে ছাত্ৰ-ছাত্ৰীৰ পৰা বেলেগ ধৰণৰ ফিজ লয়। এই মাচুলসমূহ তলত দেখুওৱা হ'ল —

(ক) টিউচন ফীজ　　(খ) পৰীক্ষাৰ মাচুল

(গ) কম্পিউটাৰ মাচুল　　(ঘ) ছাত্ৰ-ছাত্ৰী বাবে পুঁজি আদি

চৰকাৰে নিৰ্ধাৰণ কৰা মতে চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়ে মাচুল লয়। এইবোৰ ছাত্ৰ-ছাত্ৰী শ্ৰেণী অনুযায়ী নিৰ্ধাৰণ কৰে। নিম্ন প্ৰাথমিকতকৈ উচ্চ প্ৰাথমিক মাচুল বেছি। উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহে বিজ্ঞানৰ বাবে আৰু সহ-পাঠ্যক্ৰমৰ ক্ৰিয়াকলাপৰ বাবে মাচুল লয়। ইয়াৰ উদ্দেশ্য হ'ল বিদ্যালয়ৰ বিভিন্ন আঁচনিত হোৱা খৰচবোৰ পূৰণ কৰা। চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়লৈ চৰকাৰে ঘাটি-ভিত্তিক নীতিৰে অনুদান দিয়ে। বিদ্যালয় পৰিচালনা সমিতিয়ে মাচুল আৰু আন উৎসৰ পৰা আয়টো বিয়োগ কৰি বিদ্যালয়লৈ অনুদান আগবঢ়ায়। এই মাচুলসমূহ চৰকাৰী বিধি অনুযায়ী নিয়ন্ত্ৰণ হয়। চৰকাৰী সাহায্য নোপোৱা প্ৰাইভেট বিদ্যালয়সমূহৰ মাচুল চৰকাৰী সাহায্য প্ৰাপ্ত বিদ্যালয়তকৈ বেছি হয়। এইটো কিয় হয়? ইয়াৰ কাৰণ হ'ল এই বিদ্যালয় সমূহে চৰকাৰৰ পৰা কোনো সাহায্য নাপায়। এই বিদ্যালয়সমূহে সকলো ধৰণৰ খৰচ মাচুলৰ পৰা কৰে। তদুপৰি এই বিদ্যালয়বোৰক ছাত্ৰ-ছাত্ৰীৰ পৰা অতিৰিক্ত ধৰণে মাচুল সংগ্ৰহ কৰিবলৈ অনুমোদন দিয়ে। উদাহৰণ স্বৰূপে শ্ৰেণীত নাম ভৰ্তি সময়ত নামভৰ্তিৰ মাচুল লয়। এই মাচুল কেতিয়াবা প্ৰথম শ্ৰেণীত প্ৰথমতে নামভৰ্তি কৰোতে বা এটা স্তৰ আন এটা স্তৰ পালে যেনে — প্ৰাথমিকৰ পৰা উচ্চ প্ৰাথমিক বা উচ্চ প্ৰাথমিকৰ পৰা উচ্চ মাধ্যমিক বা উচ্চতৰ মাধ্যমিক স্তৰ পালে। কেতিয়াবা বিদ্যালয় পৰিচালনা সমিতিয়ে বিদ্যালয়ৰ উন্নয়নৰ বাবে বাৰ্ষিক হিচাবে মাচুল লয়। বিদ্যালয়ৰ উন্নয়নৰ বাবে লোৱা মাচুলৰ পৰা বিদ্যালয়লৈ বিভিন্ন সা-সুবিধা আগবঢ়ায়, যেনে - অতিৰিক্ত শ্ৰেণী কোঠা নিৰ্মাণ, পুথিভঁৰালৰ বাবে কিতাপ পত্ৰ, বিজ্ঞানাগাৰ আচবাবৰ সুবিধা, কম্পিউটাৰৰ বাবে সুবিধা, শৰীৰ চৰ্চাৰ সুবিধা, খেল পথাৰ, বিজুলীবাতিৰ সুবিধা, খোৱাপানী সুবিধা, বিদ্যালয়ৰ প্ৰেক্ষাগৃহ আদি। চৰকাৰী সাহায্য নোপোৱা প্ৰাইভেট বিদ্যালয়সমূহে ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ পৰা যথেষ্ট পৰিমাণৰ আয় হয়। এই আয়ৰ পৰা নিয়মিতভাৱে শিক্ষক আৰু আন কৰ্মচাৰীৰ দৰমহা দিয়াৰ উপৰিও আন আন কাৰ্যসূচীত খৰচ কৰে। সেই কাৰণে এই বিদ্যালয়সমূহে চৰকাৰী বা চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়তকৈ বেছিকৈ সহ-পাঠ্যক্ৰমৰ কৰ্মসূচী অনুষ্ঠিত কৰিব পাৰে। অভিভাৱকৰ পৰা বেছিকৈ মাচুল লোৱা বাবে এই বিদ্যালয়বোৰৰ দায়িত্বও অধিক।

শিক্ষক-অভিভাৱকক সংস্থা বা শিক্ষক-মাতৃ গোটৰ সমূহে সঘনাই অনুষ্ঠিত কৰা সভাসমূহত ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক, অবিদ্যায়তনিক আৰু সহ পাঠ্যক্ৰমৰ ক্ৰিয়াকলাপৰ ওপৰত আলোচনা হয়। বিদ্যালয়ৰ সামাজিক দায়িত্ববোধৰ এইটো এটা সুস্থ অনুশীলনী।

## 11.6 সাৰাংশ ঃ

এই গোটটোত বিভিন্ন প্ৰকাৰৰ সমল যেনে - মানৱ সম্পদ, বিত্তীয় সম্পদ আদিৰ বিষয়ে বুজিব পাৰিছে। ইয়ে বিদ্যালয়ৰ কাৰ্যাবলী চলাই নিয়ত সহায় কৰে। বিত্তীয়



টোকা

সম্পদৰ ক্ষেত্ৰত জানিব পাৰিছে যে বিদ্যালয়ৰ পৰিচালনা সমিতিয়ে বিভিন্ন ধৰণে আয়-উপাৰ্জন কৰে, যেনে- চৰকাৰ, দান আগবঢ়োৱা সংস্থা, স্থানীয় ৰাইজ, স্বেচ্ছামূলক ভাৱে সমাজ আৰু আন ধৰণে পোৱা দান বৰঙণি আদি। কেতিয়াবা কেতিয়া বিদ্যালয়ত প্ৰয়োজনীয় খৰচ কৰি ৰাহি হোৱা ধনখিনি সঞ্চয় কৰে। পৰিচালনা সমিতিয়ে ৰাহি হোৱা ধন ডাকঘৰ বা বেংকত সঞ্চয় কৰে আৰু সেই সঞ্চয়ৰ সুতৰ পৰা হোৱা আয়ৰ ধন বিদ্যালয়ৰ উন্নয়নমূলক কামকাজত খৰচ কৰে। সাধাৰণতে চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু প্ৰাইভেট বিদ্যালয়সমূহে দান-বৰঙণি, সমাজৰ পৰা স্বেচ্ছামূলক বৰঙণি আৰু কিছুমান মুক্ত আয়ৰ জৰিয়তে সঞ্চয় কৰে। চৰকাৰী বিদ্যালয়ৰ এনেধৰণৰ সুবিধা নাথাকে যিহেতু বিভিন্ন স্তৰত মাচুল নাথাকে আৰু খৰচবোৰ চৰকাৰী বিধি বা নিয়ম নীতি অনুযায়ী পৰিচালিত হয়। চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়ত চৰকাৰৰ নিয়ম অনুসৰি মাচুল ল'ব লাগে। কিন্তু সাহায্য নোপোৱা প্ৰাইভেট বিদ্যালয়সমূহে অধিক মাচুল সংগ্ৰহ কৰে আৰু মাচুল সংগ্ৰহেই এই বিদ্যালয়সমূহৰ আয়ৰ মূল উৎস। শিক্ষাৰ উন্নতি আৰু প্ৰসাৰৰ বাবে বেচৰকাৰী অনুষ্ঠানসমূহক উৎসাহিত কৰে আৰু সেয়েহে প্ৰাইভেট বিদ্যালয় ক্ষেত্ৰত চৰকাৰী নীতি নিয়ম কিছু পৰিমাণে শিথিল।

## 11.7. প্ৰসংগ পুথি ঃ

United Nations Development Programme (UNDP) Human Development Report -2011,webpage link http://hdr.undp. Org/en/statistics/

## 11.8 গোটৰ শেষৰ অনুশীলন ঃ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰক ঃ

প্ৰশ্ন ঃ 1. স্থানীয় কৰ্তৃপক্ষই পৰিচালনা কৰা বিদ্যালয়সমূহৰ পাঁচটাকৈ দুৰ্বল আৰু সবল দিশ চিনাক্ত কৰা।

প্ৰশ্ন ঃ 2. সাহায্য নোপোৱা প্ৰাইভেট বিদ্যালয়ৰ বিদ্যালয় পঞ্জীৰ চমু টোকা লিখা। চৰকাৰী আৰু সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ মাজত পাৰ্থক্য কি? পাঁচটা পাৰ্থক্য দেখুৱা।

প্ৰশ্ন ঃ 3. আপুনি কাম কৰি থকা বিদ্যালয়ৰ সম্পূৰ্ণ বিকাশৰ ক্ষেত্ৰত মানৱ সম্পদ পৰিচালনাৰ বাবে পাঁচ শক্তিশালী আৰু ব্যৱহাৰিক পৰামৰ্শ আগবঢ়াওক।

প্ৰশ্ন ঃ 4. আপোনাৰ বিদ্যালয়ত স্থানীয় ৰাইজে আগবঢ়োৱা সহায় সহযোগৰ এখন তালিকা প্ৰস্তুত কৰক। উত্তৰসমূহ চমু হোৱা উচিত ঃ

বিদ্যালয়লৈ নহা ল'ৰা-ছোৱালীক বিদ্যালয়লৈ অহাত সহায় কৰে...।

- ...............................
- ...............................
- ...............................

প্ৰশ্ন ঃ 5. শিকনৰ উৎসৰ (ছপা কৰা নথি, দৃশ্য-শ্ৰাব্য আদি) এখন তালিকা প্ৰস্তুত কৰক যিবোৰে এই গোটত থকা কথাৰ লগত মিলাই অতিৰিক্ত শিকন উৎসৰ যোগান ধৰিব পাৰে।